**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-OCT-2025
**Time :** 0900  Hrs

***Assamese Morning Bulletin***
***Headlines***

--------------------

১। অসমৰ নাৰী সমাজে ৰাজ্যত অৰ্থনৈতিক বিপ্লৱৰ সূচনা কৰিছে বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ মতপ্ৰকাশ।

২। জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত ছিংগাপুৰৰ ১০ জন প্ৰৱাসী অসমীয়ালৈ এছ আই টিৰ পুনৰ চমন জাৰি। নৰ্থ ইষ্ট ফেষ্টিভেলৰ জন সম্পৰ্কৰক্ষী বিষয়াক সোধা-পোছা।

৩। বিত্তীয় অনিময়ৰ অভিযোগত শ্যামকানু মহন্তৰ বিৰুদ্ধে ই ডি আৰু আয়কৰ বিভাগৰ গোচৰ ৰুজু।

৪। আজি ঘোষণা হ'ব অসম আৰক্ষী আৰু এ ডি আৰ ই পৰীক্ষাৰ ফলাফল।

*আৰু*

৫। আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেটত ভাৰতৰ বিৰুদ্ধে দক্ষিণ আফ্ৰিকাৰ ৩ উইকেটত জয়লাভ।

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ডিব্ৰুগড়ৰ খনিকৰ খেলপথাৰত  আয়োজিত এটা অনুষ্ঠানত আজি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ চেকসমূহ প্ৰদান কৰিব। ডিব্ৰুগড় বিধানসভা সমষ্টিৰ প্ৰায় ২০ হাজাৰ মহিলাক এই চেক প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে নাৰী শক্তিক আত্মনিৰ্ভৰশীল কৰি তোলাৰ দিশত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান এটা আৰম্ভণি বুলি প্ৰকাশ কৰিছে। তেওঁ কয়, যে আত্মসহায়ক গোটৰ সদস্যা সকলক লাখপতি বাইদেউলৈ উন্নীত কৰাৰ বাবে ৰাজ্য চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। ধেমাজি জিলাৰ চিমেন চাপৰিত কালি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ অধীনত আত্মসহায়ক গোটৰ মহিলাসকলক উদ্যমিতা পুঁজিৰ ধন বিতৰণ কৰি দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে এইদৰে প্ৰকাশ কৰে। অসমৰ নাৰী সমাজে ৰাজ্যত অৰ্থনৈতিক বিপ্লৱৰ সূচনা কৰিছে বুলি উল্লেখ কৰি ড° শৰ্মাই কয়, যে ভৱিষ্যতে ৪০ লাখ মহিলাই ৮৫ হাজাৰ টকা পৰ্যন্ত উদ্যমিতা পুঁজি লাভ কৰিলে অসমৰ গ্ৰাম্য অৰ্থনীতিত নিশ্চিতভাৱে যুগান্তকাৰী পৰিৱৰ্তন আহিব। ড° শৰ্মাই কালি এই আঁচনিৰ অধীনত জোনাই বিধানসভা সমষ্টিৰ ৩৬ হাজাৰ ৮৮৬ গৰাকী হিতাধিকাৰীক ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰে। তেওঁ লগতে চৰকাৰী পলিটেকনিক প্ৰতিষ্ঠান আৰু আই টি আই কেন্দ্ৰসমূহক উৎকৃষ্টতাৰ কেন্দ্ৰ হিচাপে উন্নীতকৰণ আঁচনিৰ অধীনত ধেমাজি পলিটেকনিক প্ৰতিষ্ঠানত নিৰ্মাণ কৰা মেৰামতি কেন্দ্ৰ আৰু প্ৰযুক্তি গৱেষণাগাৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। ড° শৰ্মাই ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসমৰ অধীনত পঞ্চদশ বিত্তীয় আয়োগৰ স্বাস্থ্য অনুদান আঁচনিৰ পুঁজিৰে ধেমাজি জিলাৰ চিমেন চাপৰি উপ-স্বাস্থ্য কেন্দ্ৰত ৩০ খন বিছনাযুক্ত সমূহীয়া স্বাস্থ্য কেন্দ্ৰৰ আধাৰশিলাও স্থাপন কৰে।

০০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ তদন্তত সহযোগিতা আগনবঢ়োৱাৰ পৰিপ্ৰেক্ষিতত বিশেষ অনুসন্ধানকাৰী গোটে ছিংগাপুৰৰ অসম এচ'ছিয়েছনৰ ১০ জন সদস্যলৈ নতুনকৈ চমন জাৰি কৰিছে। প্ৰাৰম্ভিক অৱস্থাত এছ আই টিয়ে অসম এচ'ছিয়েছনৰ ৮ জনলৈ চমন জাৰি কৰিছিল যদিও ইয়াৰে কেৱল ৰূপকমল কলিতাইহে যোৱা মঙলবাৰে এছ আই টিৰ সন্মুখত হাজিৰ হয়। জেৰাৰ সময়ত কলিতাই আৰক্ষীক তদন্তত সহযোগিতাৰ আশ্বাস দিয়ে। ইপিনে এছ আই টিয়ে কলিতাক জেৰা কৰাৰ পাছত দুৰ্ঘটনা সন্দৰ্ভত বহু নতুন তথ্য লাভ কৰিছে। বিশেষকৈ ছিংগাপুৰৰ সাগৰলৈ যোৱাৰ সময়ত য'টত জুবিন গাৰ্গৰ সৈতে ৮ জনৰ পৰিৱৰ্তে মুঠ ১০ জন প্ৰবাসী অসমীয়া আছিল বুলি তথ্য পোৱা

গৈছে। ইয়াৰে এগৰাকী নলবাৰীৰ টিহুৰ সুস্মিতা গোস্বামী বুলি জানিব পৰা গৈছে। তেওঁ সম্প্ৰতি ছিংগাপুৰত অধ্যয়ন কৰি আছে। এছ আই টিয়ে কালিও এই ঘটনা সংক্ৰান্তত বহুকেইজন লোকৰ ভাষ্য গ্ৰহণ কৰে। বিশিষ্ট শব্দ অভিযন্তা দিগন্ত শৰ্মা, নৰ্থ-ইষ্ট ফেষ্টিভেলৰ জনসম্পৰ্কৰক্ষী বিষয়া অনুজ কুমাৰ বৰুৱা, বাদ্য যন্ত্ৰী পাৰ্থপ্ৰতিম গোস্বামী, জুবিন গাৰ্গৰ দুজন ব্যক্তিগত দেহৰক্ষী নন্দেশ্বৰ বৰা আৰু প্ৰবীন বৈশ্যৰ ভাষ্য সংগ্ৰহ কৰা হয়।

০০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত নাম সাঙুৰ খোৱাৰ পাছত এইবাৰ শ্যামকানু মহন্তৰ বিৰুদ্ধে বিত্তীয় অনিয়মৰ অভিযোগত বিধিবলৱৎকাৰী সঞ্চালকালয় আৰু আয়কৰ বিভাগে গোচৰ ৰুজু কৰিছে। ইয়াৰ পূৰ্বে চি আই ডিয়ে বিত্তীয় অনিয়মৰ অভিযোগত গোচৰ ৰুজু কৰি মহন্তৰ বিৰুদ্ধে তদন্ত চলাই আছে। উল্লেখযোগ্য যে, জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অভিযুক্ত শ্যামকানু মহন্তৰ বাসগৃহত চি আই ডিয়ে চলোৱা অভিযানত ২৮ টাকৈ চৰকাৰী-বেচৰকাৰী বিভাগ তথা বিষয়াৰ ছীল-মোহৰৰ লগতে বিত্তীয় জালিয়াতিৰ বহু নথিপত্ৰ উদ্ধাৰ কৰা হৈছিল। ইয়াৰ পৰিপ্ৰেক্ষিততে তেওঁ বৰ্তমান চি আই ডিৰ কাৰ্যালয়তে বিধিবলৱৎকাৰী সঞ্চালকালয়ৰ জেৰাৰ সন্মুখীন হৈছে। সঞ্চালকালয়ে মহন্তৰ নৰ্থ-ইষ্ট ফেষ্টিভেলৰ পুঁজিৰো হিচাপ ল'ব। ইতিমধ্যে তেওঁৰ ১২ টা বেংক একাউণ্টৰ লেনদেন অস্থায়ীভাৱে বন্ধ কৰি দিয়া হৈছে।

০০০০০০

ডিব্ৰুগড়ৰ অসম আৰক্ষী চাউনীৰ সমীপৰ বহুমুখী উপযোগিতা ভৱনত কালিৰে পৰা দুদিনীয়াকৈ বিজেপিৰ বৰ্ধিত ৰাজ্যিক কাৰ্য নিৰ্বাহক সভা অনুষ্ঠিত হৈছে। সভাত কালি সমাগত সোণোৱাল কছাৰী স্বায়ত্ব শাসিত পৰিষদৰ নিৰ্বাচন সন্দৰ্ভত আলোচনা কৰা হয়। সভাত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, ৰাষ্ট্ৰীয় সম্পাদক কামাখ্যা প্ৰসাদ তাছা আৰু ৰাজ্যিক প্ৰভাৰী হৰিষ দ্বিবেদীয়ে দলৰ সাংগঠনিক আৰু ৰাজনৈতিক কাৰ্যসূচী সন্দৰ্ভত মাৰ্গদৰ্শন কৰে। সভাৰ অন্তত সাংবাদিকে বগীবিল দলঙৰ নামকৰণ সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক সোধা এটা প্ৰশ্নৰ উত্তৰত তেওঁ এই সন্দৰ্ভত চিন্তা-চৰ্চা কৰা হ'ব বুলি মন্তব্য কৰে।

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

০০০০০০

প্ৰদেশ বিজেপিৰ জ্যেষ্ঠ নেতা, প্ৰাক্তন ৰে'ল ৰাজ্য মন্ত্ৰী ৰাজেন গোহাঁইয়ে কালি দলটোৰ সদস্য পদ ত্যাগ কৰে। দলত্যাগৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত শ্ৰীগোহাঁইয়ে কয়, যে অটল বিহাৰী বাজপেয়ী, মুৰলী মনোহৰ যোশীৰ দৰে জ্যেষ্ঠ নেতাৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ তেওঁ বিজেপিত যোগদান কৰিছিল। বৰ্তমান সময়ত দলটোৰ কাম-কাজক লৈও তেওঁ ক্ষোভ প্ৰকাশ কৰে। ভৱিষ্যতে ৰাজনীতিত থাকিব নে নাথাকে সেই সন্দৰ্ভত পৰৱৰ্তী সময়তহে সিদ্ধান্ত ল'ব বুলি শ্ৰীগোহাঁইয়ে মন্তব্য কৰে।

বিজেপিৰ জ্যেষ্ঠ নেতাগৰাকীয়ে আনুষ্ঠানিকভাৱে দল ত্যাগ কৰাক লৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয়, যে শ্ৰী গোহাঁয়ে দীৰ্ঘকাল ধৰি দলৰ বাবে সেৱা আগবঢ়াই আহিছিল। দলৰ শীৰ্ষ নেতাৰ সৈতে আলোচনা নকৰাকৈ পদত্যাগৰ সিদ্ধান্ত গ্ৰহণ কৰাটো তেওঁ একান্ত ব্যক্তিগত কথা বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

০০০০০০

অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ে ২০২৫-২৬ বৰ্ষৰ বাবে আহ্বান জনোৱা অসম শিল্পী পেন্সন আৰু বিশেষ পৰিয়াল পেন্সন তথা বাৰ্ষিক শিল্পী সন্মানৰ আবেদন দিন বৃদ্ধি কৰিছে। পূৰ্বে ১০ অক্টোবৰৰ ভিতৰত পেন্সনৰ বাবে

আৱেদন দাখিল কৰিবলৈ কোৱা হৈছিল যদিও সম্প্ৰতি অনলাইন আৱেদন পত্ৰ দাখিলৰ অন্তিম দিন ২০ অক্টোবৰলৈ পিছুৱাই দিয়া হৈছে। আগ্ৰহীসকলে ২০ অক্টোবৰৰ নিশা ১২ বজাৰ ভিতৰত অনলাইন যোগে আৱেদন কৰিব পাৰিব।

০০০০০০

অসম আৰক্ষীৰ বিভিন্ন পদৰ পৰীক্ষাৰ চূড়ান্ত ফলাফলসমূহ আজি ঘোষণা কৰা হ'ব। ৰাজ্যিক পৰ্যায়ৰ আৰক্ষী নিযুক্তি বোৰ্ডৰ www.slprbassam.in ৱেবছাইটত আজি পুৱা চাৰে ১১ বজাত ফলাফলসমূহ উপলব্ধ হ'ব। আজি অসম আৰক্ষীৰ ১৪৪টা উপ-পৰিদৰ্শক পদ, অসম আৰক্ষী অনাতাঁৰ সংগঠনৰ ৭টা উপ-পৰিদৰ্শক, অসম কামাণ্ডো বেটেলিয়নৰ ৫১টা উপ-পৰিদৰ্শক আৰু ১৬৪টা কনিষ্টবল পদৰ লগতে অন্যান্য পদসমূহৰ কাৰণে আয়োজন কৰা পৰীক্ষাসমূহৰ ফলাফল ঘোষণা কৰা হ'ব। ইপিনে গুৱাহাটী উচ্চ ন্যায়ালয়ে কালি কনিস্থবল পদত থকা স্থগিতাদেশ প্ৰত্যাহাৰ কৰাৰ পাছত বাকী থকা পাঁচ হাজাৰ ৬১৪ টা পদৰ ফলাফল কাইলৈ ঘোষণা কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে।

অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ তৃতীয় বৰ্গৰ ফলাফলসমূহো আজি পুৱা চাৰে ১০ বজাত ঘোষণা কৰা হ'ব। পৰীক্ষাৰ্থীসকলে অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ সংশ্লিষ্ট ৱেবছাইটত গৈ তেওঁলোকৰ ফলাফলসমূহ লাভ কৰিব পাৰিব।

০০০০০০

আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত কালি বিশাখাপট্টনমত অনুষ্ঠিত এখন খেলত দক্ষিণ আফ্ৰিকাই ভাৰতক ৩ উইকেটত পৰাস্ত কৰে। দক্ষিণ আফ্ৰিকাই ২৫২ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি তিনিটা উইকেট আৰু ৭টা বল বাকী থকা অৱস্থাত নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। দক্ষিণ আফ্ৰিকাৰ নাদিনে ডি ক্লাৰ্কে আকৰ্ষণীয় বেটিঙেৰে ৫৪টা বলত ৮৪ ৰান কৰে। ভাৰতৰ হৈ ক্ৰান্তি গৌড় আৰু স্নেহ ৰানাই দুটাকৈ উইকেট দখল কৰে। ইয়াৰ পূৰ্বে, ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি ৪৯ অভাৰ ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই ২৫১ ৰান সংগ্ৰহ কৰে। ৰিছা ঘোষে ৭৭টা বলত ৯৪ ৰান কৰে। দক্ষিণ আফ্ৰিকাৰ ক্লয়ি ট্ৰায়নে তিনিটা উইকেট লাভ কৰে। নাদিনে ডি ক্লাৰ্কক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

০০০০০০

আমিনগাঁৱত চলি থকা ডব্লিউ এফ বিশ্ব জুনিয়ৰ বেডমিণ্টন চেম্পিয়নশ্বিপৰ কালি চতুৰ্থ দিনা ভাৰতে দক্ষিণ কোৰিয়াক হৰুৱাই ছেমি ফাইনেলত প্ৰৱেশ কৰে। প্ৰথম ছেটত ভাৰতে ৪৪-৪৫ পইণ্টত দক্ষিণ কোৰিয়াৰ হাতত পৰাস্ত হৈ দ্বিতীয় ছেটত ৪৫-৩০ আৰু তৃতীয় ছেটত ৪৫-৩৩ পইণ্টত ধাৰাবাহিকভাৱে জয়লাভ কৰে। ছেমি ফাইনেলত প্ৰৱেশ কৰাৰ লগে লগে বিশ্ব জুনিয়ৰ বেডমিণ্টন চেম্পিয়নশ্বিপত ভাৰতৰ বাবে এটা পদক নিশ্চিত হ'ল।

আনহাতে, আজি ছেমি ফাইনেলত ইণ্ডোনেছিয়া আৰু ভাৰত মুখামুখি হ'ব। উল্লেখযোগ্য যে, প্ৰথমবাৰৰ বাবে এই বিশ্ব জুনিয়ৰ বেডমিণ্টন চেম্পিয়নশ্বিপত ভাৰতৰ পদক নিশ্চিত হৈছে।

০০০০০০

ভাৰত আৰু ৱেষ্ট ইণ্ডিজৰ মাজত আজি নতুন দিল্লীত চলিত টেষ্ট ক্ৰিকেট শৃংখলাৰ দ্বিতীয় তথা অন্তিমখন খেল আৰম্ভ হ'ব। খেলখন কিছুসময় পাছতে আৰম্ভ হ'ব। আহমেদাবাদত অনুষ্ঠিত প্ৰথমখন টেষ্টত ভাৰত এক ইনিংছ আৰু ১৪০ ৰানত বিজয়ী হৈছিল। আন এক জয়েৰে শৃংখলাত ক্লীন চুইপৰ লক্ষ্যৰে শুভমন গীল নেতৃত্বাধীন ভাৰতীয় দলটো আজিক টেষ্টত অৱতীৰ্ণ হ'ব।

০০০০০০

News Paper REV/RNU (10-10-2025) MORN

অসম মেঘালয় সীমান্তত সংঘৰ্ষ, ৰাজেন গোহাঁইৰ বিজেপি ত্যাগ, চাহ শ্ৰমিকৰ দৈনিক মজুৰি বৃদ্ধিৰ দাবীৰে প্ৰতিবাদ, হাংগেৰীৰ উপন্যাসীক ক্ৰাছনাহৰ্কাইলৈ সাহিত্যৰ ন'বেল বঁটা আদি ভিন ভিন বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰিকাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

পশ্চিম কাৰ্বি আংলং জিলাৰ অসম-মেঘালয় সীমান্তৰ তাপাত অঞ্চলত কালি খাছি দুৰ্বৃত্তৰ আক্ৰমণত এজন লোকৰ মৃত্যু হোৱাৰ লগতে কেইবাজনো আহত হোৱাৰ এটা বাতৰি **অসমীয়া প্ৰতিদিন** কাকতে অসমৰ ভূমিত খাছি দুৰ্বৃত্তৰ তাণ্ডৱ শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে। একেটা বাতৰিকে নিয়মীয়া বাৰ্তা কাকতেও প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

প্ৰদেশ বিজেপিৰ জ্যেষ্ঠ নেতা, প্ৰাক্তন ৰে'ল ৰাজ্য মন্ত্ৰী ৰাজেন গোহাঁইয়ে কালি দল ত্যাগ কৰাৰ বাতৰিটো **দৈনিক জনমভূমি** কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰিৰ স্থান দিছে।

জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত এছ আই টিয়ে শিল্পীগৰাকীৰ ধনৰ লেনদেনৰ তথ্য সন্দৰ্ভত এজনৰ পাছত এজনকৈ সোধাপোছা কৰিছে। এই বাতৰিটো **আমাৰ অসম** কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। ইপিনে শিল্পীগৰাকীৰ মৃত্যু সন্দৰ্ভত এছ আই টিয়ে ছিংগাপুৰৰ অসম এচ'ছিয়েছনৰ ১০ জন সদস্যলৈ চমন জাৰি কৰাৰ বাতৰিটো **দি আছাম ট্ৰিবিউন** কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিজেপি চৰকাৰে জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ তদন্ত নিৰায়িকৈ চলাই আছে আৰু ইতিমধ্যে অভিযুক্ত সকলো আটক কৰা হৈছে বুলি প্ৰকাশ কৰাৰ আন এটা বাতৰি দ্যা ছেণ্টিনেল কাকতে মুখ্য বাতৰিৰ স্থান দিছে।

প্ৰবাসী অসমীয়া ৰূপকমল কলিতাই এছ আই টিৰ আগত ভাষ্য প্ৰদান কৰি পুনৰ চৰকাৰী ব্যয়তে ছিংগাপুৰলৈ উভতি যোৱাৰ  এটা বাতৰি **দৈনিক অগ্ৰদূত** কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

ৰাজ্যৰ চাহ বাগিচাৰ শ্ৰমিকসকলৰ দৈনিক মজুৰি ৫৫১ টকালৈ বৃদ্ধিৰ দাবীৰে চাহ জনগোষ্ঠীয় সংগঠনসমূহে প্ৰতিবাদ অব্যাহত ৰখাৰ বাতৰিটো **দৈনিক অসম** কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

**অসমীয়া খবৰ** কাকতে অহা ২৫ নৱেম্বৰলৈ মৰাণ জনগোষ্ঠীৰ সকলো প্ৰতিবাদ স্থগিত, ছয় সংগঠনৰ দুই শতাধিক প্ৰতিনিধিৰে মুখ্যমন্ত্ৰীৰ বৈঠক শীৰ্ষক এটা বাতৰি প্ৰথম পৃষ্ঠাত স্থান দিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত আংশিকভাৱে ডাৱৰীয়া হৈ থকা বতৰ গধূলিলৈ গোমা হোৱাৰ লগতে দুই-এজাক মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৪ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত